# অসমীয়া ঃ প্ৰথম ভাষা
## SUBJECT CODE - 01
## নৱম - দশম শ্ৰেণী

**আগকথা ঃ**

প্ৰথম ভাষাৰ জৰিয়তে ভাষা শিক্ষাৰ কৌশল-শ্ৰৱণ, কথন, পঠন আৰু লিখনৰ অনুশীলন আৰু উন্নতিকৰণৰ উদ্দেশ্য আগত ৰাখি এই পাঠ্যক্ৰম যুগুতোৱা হৈছে। প্ৰথম ভাষা সকলো ভাবৰ আদান-প্ৰদানৰ মাধ্যম হোৱাৰ উপৰি সামাজিক আৰু সাংস্কৃতিক প্ৰমূল্য, সাহিত্যৰস আদি গ্ৰহণ কৰাত ছাত্ৰ-ছাত্ৰীক যাতে আগুৱাই নিব পাৰে, সেই কথালৈ দৃষ্টি ৰখা হৈছে। এনে নতুন প্ৰয়োগ নীতিত শিক্ষাৰ্থীয়ে যাতে এই ভাষা শিক্ষাৰ জৰিয়তে উপকৃত হ'ব পাৰে তালৈ গুৰুত্ব দিয়া হৈছে। জীৱন, ভাষা আৰু সাহিত্যৰ লগত সম্বন্ধ থকা বিষয় মানানুক্ৰমিক ভাৱে বিভিন্ন শ্ৰেণীত সন্নিবিষ্ট কৰাৰো দিহা কৰা হৈছে।

ভাষা শিকাৰুৰ উদ্দেশ্য ভাষাটোক ব্যাকৰণ, বানান আদি নীতি সহকাৰে শুদ্ধভাৱে শিকা। ইয়াৰ লগে লগে ছাত্ৰ-ছাত্ৰীয়ে সাহিত্যৰস আচ্ছাদন কৰা, জাতীয়তাবোধ আহৰণ কৰা, নিজৰ দেশ তথা সমাজক ভালপোৱা, স্ব-জাতীয় সংস্কৃতি, দয়া আদি মানৱীয় গুণৰাশিৰ বিকাশ সাধন কৰাও গুৰুত্বপূৰ্ণ উদ্দেশ্য। সামাজিক আৰু সাংস্কৃতিক প্ৰমূল্যবোধেৰে নিজকে প্ৰকাশ কৰিব পৰাকৈ গঢ়ি তোলাটো ভাষা শিকাৰুৰ এটা দায়িত্ব। প্ৰকৃতাৰ্থত, প্ৰথম ভাষা শিক্ষণেৰে শিকাৰুক মানৱ চৰিত্ৰ সম্পন্ন এজন প্ৰকৃত নাগৰিক হিচাপে গঢ়ি তোলাটোৱেই ইয়াৰ উদ্দেশ্য।

**সাধাৰণ উদ্দেশ্য ঃ**

১.০০ ইতিমধ্যে উচ্চ প্ৰাথমিক স্তৰত শিকি অহা ভাষাৰ বিভিন্ন দিশৰ ওপৰত খৰচিমাৰি, জানি-বুজি, উপলব্ধি কৰি, ব্যৱহাৰিক জীৱনত প্ৰয়োগ কৰিবলৈ সক্ষম হ'ব।

১.০১ ভাষাৰ ন ন দিশৰ জ্ঞান আহৰণ কৰি তাৰ বিশ্লেষণ কৰাৰ যোগ্যতা অৰ্জন।

১.০২ ভাষাতত্বৰ জ্ঞান তথা ভাষিক কৌশলৰ ক্ষমতা বৃদ্ধিকৰণ।

১.০৩ মৌখিক অভিব্যক্তিৰ বিকাশ সাধন কৰি সমাজিক দায়িত্ববোধ বৃদ্ধিকৰণ।

১.০৪ শ্ৰৱণ, কথন, পঠন আৰু লিখনৰ গতিবেগ বৃদ্ধিকৰণ।

১.০৫ কোনো আলোচনা, তৰ্ক প্ৰতিযোগিতা, সভা-সমিতি আদিত অংশ গ্ৰহণ আৰু পৰিচালনা কৰাৰ অৰ্হতা অৰ্জন।

১.০৬ কোনো ঘটনা বা সমস্যা, বিষয় আদিৰ ওপৰত নিজস্ব মত দাঙি ধৰা আৰু সমাধান কৰিব পৰা জ্ঞান আহৰণ।

১.০৭ নতুন দিশ/ধাৰা, দৰ্শন, শিক্ষাৰ্থীকেন্দ্ৰীক মনোৰঞ্জক, কাৰ্যভিত্তিক, অৰ্হতাভিত্তিক জ্ঞান আহৰণ কৰি ব্যৱহাৰিক জীৱনত প্ৰয়োগ কৰিব পৰা আৰু নেতৃত্ব দিব পৰা জ্ঞান অৰ্জন।

১.০৮ যিকোনো কথা বা কাৰ্য পৰ্যবেক্ষণ কৰি নিজ অভিব্যক্তি ব্যক্ত কৰিব পৰা অৰ্হতা অৰ্জন।

১.০৯ ভাষা আৰু সাহিত্য অধ্যয়নৰ দ্বাৰা বিভিন্ন জনগোষ্ঠীৰ সাহিত্য-সংস্কৃতিৰ প্ৰতি অনুৰক্ত হোৱাৰ মানসিকতা অৰ্জন।

১.১০ সৃষ্টিমূলক প্ৰতিভাৰ বিকাশ সাধন কৰাৰ প্ৰয়াস অৰ্জন।

**শিক্ষণীয় দিশ ঃ**

**বিশেষ উদ্দেশ্য ঃ**

২.০০ শ্ৰৱণ-কথন

২.০১ যিকোনো ঘটনা, বক্তৃতা, আলোচনা, গল্প-কাহিনী ইত্যাদি শুনি-বুজি উপলব্ধি কৰি সাৱলীলভাৱে ক'ব পৰা আৰু ব্যৱহাৰিক জীৱনত প্ৰয়োগ কৰিবলৈ সমৰ্থ হোৱা।

২.০২ মনোৰঞ্জক অনুষ্ঠান আদি দেখি-শুনি আনন্দ লাভ কৰাৰ লগতে নিজেও অংশ গ্ৰহণ কৰিব পৰা।

২.০৩ কওঁতাৰ বক্তব্য, আচাৰ-ব্যৱহাৰ ইত্যাদি বিশ্লেষণ কৰি মূল্যায়ন কৰি মূল্যাংকন কৰিব পৰা।

২.০৪ কোনো বৃত্তিমূলক ভাষণ, আলোচনা আদি শুনি বিজ্ঞানভিত্তিক বিশ্লেষণাত্মক দৃষ্টিভঙ্গী আয়ত্ত কৰি জীৱনৰ বাবে প্ৰেৰণা লাভ কৰিব পৰা।

২.০৫ অন্ধবিশ্বাস, কুসংস্কাৰ আদি বিশ্লেষণাত্মক দৃষ্টিভঙ্গীৰে বিচাৰ কৰি বৈজ্ঞানিক মনোভাৱ গঢ়ি তোলা।

২.০৬ নিজৰ মনত উদয় হোৱা ভাব আৰু আনে কৰা প্ৰশ্ন বা কথা ধৈৰ্য সহকাৰে শুনি তাৎক্ষনিকভাৱে উত্তৰ দিব পৰা আৰু নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিব পৰা।

২.০৭ বাক্যৰ তাল-মান-ধ্বনি (যতি), শ্বাসাঘাত (বলাঘাত) আদি ৰক্ষা কৰি শুদ্ধ আৰু স্পষ্টভাৱে উচ্চাৰণ কৰিব পৰা।

২.০৮ বিভিন্ন গীত-মাত, কবিতা, সংলাপ, আকস্মিক বক্তৃতা, তৰ্ক, কুইজ আদি প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিব পৰা।

২.০৯ আনুষ্ঠানিক আৰু অনানুষ্ঠানিকভাৱে ব্যক্তি আৰু সমজুৱাক

আদৰ সম্ভাষণ জনোৱা আৰু আজ্ঞা, অনুৰোধ, সম্বোধন ব্যক্ত কৰা আৰু গ্ৰহণ কৰিব পৰা।

২.১০ দৃশ্যমান কাৰ্য বা ঘটনাৰ চলন্ত বিৱৰণ দিব পৰা।

২.১১ জ্যেষ্ঠ-কনিষ্ঠ-সমনীয়া ভেদে শিষ্টাচাৰ ৰক্ষা কৰি কথা-বতৰা পাতিব পৰা।

২.১২ লিংগ-সমতা আৰু মৰ্যাদা ৰক্ষা কৰাৰ মানসিকতা গঢ়ি তুলি পৰিবেশ পৰিস্থিতি সাপেক্ষে ভাষা-শৈলী প্ৰয়োগ কৰিব পৰা।

২.১৩ আনে কোৱা ভাষা আৰু কথন-ভঙ্গীৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰা।

**৩.০০ পঠন-লিখন ঃ**

৩.০১ শুদ্ধ উচ্চাৰণ, ধ্বনি, লয়, শ্বাসাঘাত (বলাঘাত) আৰু পঠনৰ গতি নিয়ন্ত্ৰণৰ ওপৰত গুৰুত্ব দি শব্দ, বাক্য আদি পঢ়িব আৰু লিখিব পৰা।

৩.০২ ভাব অনুসাৰে বাক্যৰ আৰোহণ আৰু অৱৰোহণ ৰক্ষা কৰি পঢ়িব আৰু দ্ৰুতগতিত সাৱলিলভাৱে পঢ়িব পৰা।

৩.০৩ পঠন-লিখনৰ সময়ত বিৰাম চিহ্নৰ (যতি, কমা, ভাৱবোধক আদি) ওপৰত গুৰুত্ব দিয়া।

৩.০৪ শ্ৰেণী অনুসৰি পঠন আৰু লিখনৰ গতি বৃদ্ধি (সময় অনুপাতে) কৰা।

৩.০৫ মানচিত্ৰ, বিভিন্ন তালিকা, ৰচিদ, কাহিনী, বিভিন্ন ৰুচিৰ কবিতা, প্ৰবন্ধ, চিঠি, দিনলিপি আদি দেখি-শুনি আৰু পঢ়ি বুজি পোৱা আৰু নিজেও লিখিবলৈ সামৰ্থ হোৱা।

৩.০৬ দেখা-শুনা স্মৰণীয় ঘটনা আৰু নিজৰ জীৱনৰ অভিজ্ঞতা

আত্মস্মৰণ আদি লিখিব পৰা।

৩.০৭ আন্তঃজাতিক, ৰাষ্ট্ৰীয়, স্থানীয় কলা-কৃষ্টি আৰু সংস্কৃতিমূলক লগতে লোক-সংস্কৃতি বা জনকৃষ্টিৰ বিষয়ে পঢ়ি, মোল বুজি জাতীয় প্ৰেৰণা লাভ কৰা।

৩.০৮ ব্যৱহাৰিক জীৱনত ব্যাকৰণৰ শুদ্ধ প্ৰয়োগ কৰা।

**৪.০০ চিন্তন ঃ**

৪.০১ পঢ়া-শুনা তথ্য, ঘটনা আদিৰ ক্ৰম অনুসৰি বিচাৰ বিবেচনা কৰাৰ ক্ষমতা অৰ্জন কৰা আৰু সেইবোৰৰ কাৰ্য, কাৰণ আৰু ফল নিৰ্ণয় কৰি তুলনা কৰিব পৰা।

৪.০২ কোনো এটা বিষয় বস্তুৰ সপক্ষে বা বিপক্ষে নিজৰ যুক্তি আৰু ভাৱ বিচাৰ কৰাৰ লগতে সিদ্ধান্তত উপনীত হৈ মন্তব্য দাঙি ধৰিব পৰা।

৪.০৩ সত্যাসত্য নিৰ্ণয় কৰিব পৰা।

৪.০৪ জাতীয় কলা-কৃষ্টিৰ প্ৰতি শ্ৰদ্ধা পোষণ আৰু ঐতিহ্য পৰম্পৰা সম্পৰ্কে বৈজ্ঞানিক মনোভাৱ গঢ়ি তোলা।

**৫.০০ পাঠত প্ৰতিফলিত হ'ব লগা দিশসমূহ ঃ**

ৰাষ্ট্ৰীয় শিক্ষানীতিৰ মূল দহোটা উপাদান ঃ

ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ ইতিহাস

সাংবিধানিক দায়বদ্ধতা

জাতীয় পৰিচিতি পৰিপুষ্টিৰ অৰ্থে প্ৰয়োজনীয় সমল

ভাৰতৰ উমৈহতীয়া সাংস্কৃতিক ঐতিহ্য

সাম্যবাদ, গণতন্ত্র আৰু ধৰ্মনিৰপেক্ষতা

লিংগৰ সমতা (নাৰী আৰু পুৰুষ ভেদে সমতা)

পৰিবেশৰ সংৰক্ষণ

সামাজিক বৈষম্য দূৰীকৰণ

সৰু পৰিয়ালৰ আৰ্হি গ্ৰহণ

বিজ্ঞানসন্মত দৃষ্টিভংগী আহৰণ

লগতে ভাৰতীয় আৰু জাতীয় সাহিত্যৰ স্বৰূপ অনুধাৰন সামাজিক দায়বদ্ধতা (ৰাজহুৱা সম্পত্তি ৰক্ষণা-বেক্ষণ), হিংসা, সন্ত্ৰাস, আতংক আদিৰপৰা আঁতৰত থকা, সত্যবাদিতা, সচেতনতা, শিষ্টাচাৰ, সেৱা-মনোভাৱ, সহযোগিতা, সমমৰ্মিতা, সময়ৰ সৎব্যৱহাৰ, অহিংসা, দায়িত্ববোধ, নিষ্ঠা, দয়া, কৰুণা, সহনশীলতা, দেশপ্ৰেম, শ্ৰমৰ মৰ্যাদা, পৰিবেশ সচেতনতা, বিশ্ব ভাতৃত্ব, নেতৃত্ব, অনুকম্পা, কৃষ্টি-সংস্কৃতিৰ প্ৰতি শ্ৰদ্ধা, আত্মবিশ্বাস, স্পষ্ট আৰু দ্ৰুত সিদ্ধান্ত, সাহসিকতা আৰু প্ৰমূল্যবোধ আদি।

ইয়াৰ উপৰি পিছপৰা ছাত্ৰ-ছাত্ৰীৰ বিকাশ সাধন (বাধাগ্ৰস্ত), অহিংসা নীতিৰ উপলব্ধি, জীৱন ধাৰণৰ কৌশল আৰু কৰ্ম-সংস্কৃতি গঢ়ি তোলা, নান্দনিক অনুভূতিৰ বিকাশ সাধন আদি দিশসমূহতো গুৰুত্ব দিয়া হৈছে।

৫.০১ পাঠৰ প্ৰকাৰ ঃ পাঠ্যপুথিত প্ৰৱন্ধ, জীৱনী, আত্মজীৱনী, কাহিনী, সাংবাদিকতা, ভ্ৰমণ, নাট্যাংশ আদিৰ সাহিত্যিক ৰূপ (বৰ্ণনাত্মক, কথোপকথন, নাট্যৰূপ, সমালোচনাত্মক), ৰসসমূহ প্ৰতিফলিত হোৱা পাঠ সন্নিবিষ্ট হ'ব।

৫.০২ শৈলী ঃ পাঠ্যপুথিত প্ৰাচীন, ৰোমাণ্টিক আৰু সাম্প্ৰতিক যুগৰ লিখনি সন্নিবিষ্ট কৰা হ'ব।

৫.০৩ ব্যৱহাৰিক দিশ ঃ ৰাস্তা-ঘাট, সময়সূচী, (ৰেল, বাছ), যোগাযোগ (পি চি ও, তাঁৰ-বাৰ্তা, আকাশবাণী, বাতৰিকাকত, দূৰদৰ্শন, কম্পিউটাৰ মোবাইল ফোন) স্থানীয় নিকায় (পঞ্চায়ত, আৰক্ষী, ক'ৰ্ট-কছাৰী) ৰাজ্যিক আৰু সহযোগী ভাষাৰ ভূমিকা সম্পৰ্কে জনা প্ৰয়োজন।

৫.০৪ পাঠ নিৰ্বাচন ঃ

ওপৰোক্ত শিকনীয় দিশসমূহ প্ৰতিফলিত হোৱাৰ বাবে তলত দিয়া বিষয়বস্তুসমূহৰ পাঠ নিৰ্বাচন কৰা হ'ব।

**নৱম শ্ৰেণীৰ পাঠ্যক্ৰম ঃ**

**গদ্য বিভাগ ঃ** ঐতিহাসিক ঘটনা, খেল-ধেমালি, জীৱনী (ৰাষ্ট্ৰীয়/আন্তঃৰাষ্ট্ৰীয়), সংবাদলেখা, কলা সংগীত, জাতীয় পৰিচিতি, স্বাধীনতা সংগ্ৰাম, জাতীয় সংহতি, বৃত্তিমুখী বিষয়, শ্ৰমৰ মৰ্যাদা, স্বদেশপ্ৰেম, অসমৰ ভাষা পৰিচিতি, জনজাতীয় গল্প, ভ্ৰমণ বৃত্তান্ত, বৈজ্ঞানিক দৃষ্টিভঙ্গী, প্ৰকৃতি বিষয়ক, ঐক্য আৰু সংহতি, মূল্যবোধ সম্পৰ্কীয় বিষয় আৰু সাহিত্যৰ বিশ্বজনীন আবেদন সম্পৰ্কীয় বিষয়।

**কবিতা বিভাগ ঃ** আধ্যাত্মিক, দাৰ্শনিক, নীতিমূলক, দেশপ্ৰেমমূলক, প্ৰকৃতি বিষয়ক, ঐক্য আৰু সংহতি, মূল্যবোধ সম্পৰ্কীয় বিষয় আৰু সাহিত্যৰ বিশ্বজনীন আবেদন সম্পৰ্কীয় বিষয়।

**ব্যাকৰণ ঃ** (১) নিৰ্দেশক প্ৰত্যয়, (২) প্ৰত্যক্ষ আৰু পৰোক্ষ উক্তি, (৩) ব্যঞ্জন আৰু বিসৰ্গ সন্ধি, (৪) অৰ্থ অনুসৰি বাক্য পৰিবৰ্তন-অস্ত্যৰ্থক, নাস্ত্যৰ্থক, প্ৰশ্নাৰ্থক, (৫) কৃৎ আৰু তদ্ধিত প্ৰত্যয়, (৬) স্ত্ৰী প্ৰত্যয়, (৭) ধাতু আৰু ক্ৰিয়াপদ, (৮) বাক্যৰচনা, (৯) ভাৱ সম্প্ৰসাৰণ, (১০) পুৰুষ নিৰ্দেশক প্ৰত্যয়, (১১) বাক্য সম্প্ৰসাৰণ,

(১২) বাক্য সংকোচন।

**ৰচনা ঃ** চিন্তামূলক / বৈজ্ঞানিক/উৎসৱ বিষয়ক/সমস্যাবহুল।

**দশম শ্ৰেণীৰ পাঠ্যক্ৰম ঃ**

**গদ্য বিভাগ ঃ** ঐতিহাসিক ঘটনা, আত্মজীৱনী, কলা সংগীত, সংবাদলেখা, জাতীয় পৰিচিতি, স্বাধীনতা সংগ্ৰাম, জাতীয় ঐক্য আৰু সংহতি, কৰ্ম অভিজ্ঞতা, শ্ৰমৰ মৰ্যাদা, সাহিত্যৰ বিশ্বজনীন আবেদন, ভ্ৰমণ বৃতান্ত, অসমৰ জনজাতি, স্বদেশপ্ৰেম, বৈজ্ঞানিক দৃষ্টিভংগী, জীৱনী (আঞ্চলিক) মহিলা/পুৰুষ, প্ৰকৃতি বিষয়ক, মূল্যবোধ সম্পৰ্কীয়, ভাৰতীয় জাতীয়ত্ববোধ সম্বলিত বিষয়।

**কবিতা বিভাগ ঃ** আধ্যাত্মিক, দাৰ্শনিক, দেশপ্ৰেমমূলক, প্ৰকৃতি বিষয়ক, হাস্যৰসাত্মক, ব্যঙ্গাত্মক, ছনেট, প্ৰেমমূলক।

ব্যাকৰণ ঃ বাক্য পৰিবৰ্তন (সৰল, যৌগিক, জটিল), সমাস, ণত্ববিধি আৰু যত্ববিধি, যতি চিনৰ ব্যৱহাৰ, খণ্ডবাক্য/জঁতুৱাঠাচ, বিপৰীতাৰ্থক, সমোচ্চাৰিত আৰু সমাৰ্থক শব্দ, উপসৰ্গ-অনুসৰ্গ, সন্ধি, ছন্দ প্ৰকৰণ (পদ, দুলড়ী, ছবি), এটা শব্দত প্ৰকাশ কৰা, প্ৰত্যয়।

**ৰচনা ঃ** চিন্তামূলক/বৈজ্ঞানিক/উৎসৱ বিষয়ক/সমস্যাবহুল।

৫.০৫ প্ৰতিটো পাঠৰ শেষত ভাষাৰ অৰ্হতা বিকাশ হোৱাকৈ ক্ৰিয়া-কলাপ সংযোজন থাকিব। ইয়াৰ সহায়ত ব্যৱহাৰিক ব্যাকৰণৰ ধাৰণা, অনুশীলনী, টোকা আদি সন্নিবিষ্ট কৰা হ'ব।

৫.০৬ নৱম-দশম শ্ৰেণীৰ পাঠসমূহ 'ক' আৰু 'খ' দুটা ভাগত ভগোৱা হ'ব। 'খ' ভাগত পৌৰাণিক লিখকৰ লিখন সন্নিবিষ্ট কৰা হ'ব। ছাত্ৰ-ছাত্ৰী সকলে 'খ' ভাগৰ সলনি 'গ' ভাগৰ সংস্কৃত বিষয়টো পঢ়িব পাৰিব। নম্বৰ বিতৰণ এইদৰে হ'ব।

| | | |
|---|---|---|
| 'ক' ভাগ | - | ৭৫ নম্বৰ |
| 'খ' ভাগ | - | ২৫ নম্বৰ |

নাইবা ‘গ’ ভাগ - ২৫ নম্বৰ

**৬.০০ শিক্ষণ-শিকনৰ গুৰুত্ব ঃ**

৬.০১ শিক্ষণীয় গুৰুত্ব ঃ

| | | |
|---|---|---|
| পাঠ আদান-প্ৰদানত | - | ৪৫ শতাংশ |
| (প্ৰাচীন সাহিত্য আৰু ওপৰঞ্চি) | | |
| ক্ৰিয়া-কলাপত | - | ২৫ শতাংশ |
| ব্যাকৰণ আৰু ৰচনাত | - | ১৫ শতাংশ |
| ব্যৱহাৰিক দিশত | - | ৮ শতাংশ |
| প্ৰকল্প, সৃজনীমূলক কৰ্ম | - | ৫ শতাংশ |
| নিদানমূলক ব্যৱস্থা | - | ২ শতাংশ |
| | | ১০০ শতাংশ |

৬.০২ সময়ৰ গুৰুত্ব ঃ বছৰটোৰ ২৬২ টা কৰ্মদিনৰ ভিতৰত বিদ্যালয়ৰ অন্যান্য কাৰ্যৰ বাবে ১৬ দিন আৰু পৰীক্ষাৰ বাবে ১৬ দিন বাদ দিলে পাঠ দানৰ বাবে ২৩০ দিন পোৱা যাব। প্ৰতি সপ্তাহতে সাত পিৰিয়দকৈ ধৰি এবছৰত প্ৰথম ভাষাৰ বাবে ২৫৯ পিৰিয়দ পোৱা যাব। পাঠ আদান-প্ৰদানৰ বাবে তলত দিয়া ধৰণে পিৰিয়দৰ নিৰ্দ্ধাৰণ কৰা হ'ব।

গদ্য - ১১১ পিৰিয়দ, পদ্য - ৭৪ পিৰিয়দ, ব্যাকৰণ- ৩৭, ৰচনা - ৩৭

(সময় সাপেক্ষে সাল-সলনি হ'লে শৈক্ষিক দিনপঞ্জীত উল্লেখ কৰা হ'ব)

৬.০৩ মূল্যায়নৰ ধাৰণাসমূহ আদৰ্শ আৰ্হি প্ৰশ্ন কাকতত সন্নিবিষ্ট হ'ব।

৬.০৪ পাঠ বহিৰ্ভূত শিক্ষণীয় দিশসমূহ যেনে - আকস্মিক বক্তৃতা, তৰ্ক প্ৰতিযোগিতা, পুথিভঁৰাল অধ্যয়ন, কবিতা আৰু প্ৰাচীৰ পত্ৰিকা লিখন, আলোচনী-বাতৰি কাকত পঢ়া, সাক্ষাৎকাৰ, সাংস্কৃতিক কাৰ্যত অংশ গ্ৰহণ কৰা, ব্যায়াম আদি সামগ্ৰিক আৰু অবিৰত মূল্যায়নৰ পুথি আৰু শৈক্ষিক দিনপঞ্জী আদিত সন্নিবিষ্ট কৰা হৈছে।

**৭.০০ পাঠ্যপুথিৰ আঁচনি, কলেবৰ/আকাৰ ইত্যাদি নিৰ্দ্ধাৰণ ঃ**
নৱম আৰু দশম শ্ৰেণীৰ বাবে সুকীয়া সুকীয়াকৈ একোখন পাঠ্যপুথি (সাহিত্য) হ'ব।

দুয়োটা শ্ৰেণীৰ বাবে এখন দ্ৰুতপাঠ আৰু এখন ব্যাকৰণ পুথি হ'ব।

পাঠ্যপুথিত ৭০ শতাংশ গদ্য আৰু ৩০ শতাংশ পদ্য থাকিব এই দুটা শ্ৰেণীত ৪০ শতাংশ পাঠ সাহিত্যকেন্দ্ৰিক হ'ব। পাঠ্যপুথিৰ পৃষ্ঠা সংখ্যা ১৫০ৰ ভিতৰত হ'ব। আকাৰ ক্ৰাউন, আখৰ ১২ পইণ্ট আৰু টোকা, অনুশীলনী, নিৰ্দেশনা আদি ১০ পইণ্টত লিখা হ'ব।

**৮.০০ মূল্যায়ন ঃ**

৮.০১ ছাত্ৰ-ছাত্ৰীসকলে ভাষাৰ অৰ্হতাসমূহ প্ৰতিটো শ্ৰেণীত কিমানখিনি আয়ত্ব কৰিলে তাক মূল্যায়নৰ জৰিয়তে জানিব পৰা যায়। পাঠ্যপুথি আৰু পাঠবহিৰ্ভূত উভয় দিশতে সামগ্ৰীকভাৱে মূল্যায়নৰ ব্যৱস্থা থাকিব। প্ৰতিটো গোটৰ সাময়িকী মূল্যায়নৰদ্বাৰা পিছপৰা ছাত্ৰ-ছাত্ৰীসকল চিনাক্তকৰণ কৰি নিদানমূলক (remedial) শিক্ষণৰ দ্বাৰা তেওঁলোককো আগবঢ়াই আনিব লাগিব। আনহাতে

শিক্ষক-শিক্ষয়ত্ৰীয়েও নিজৰ শিক্ষণ পদ্ধতি/কৌশলত থকা দোষ-ত্ৰুটি বুজি লৈ শুধৰণি মূলক পদ্ধতি/কু কৌশল গ্ৰহণ কৰিব পাৰিব। মূল্যায়নৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলৰ বিদ্যায়তনিক আৰু সহ বিদ্যায়তনিক উভয় দিশৰে মূল্যায়ন কৰা হ'ব। এই পদ্ধতি সম্পৰ্কে সকলো কথা পৰিষদৰ দ্বাৰা প্ৰকাশিত শৈক্ষিক দিনপঞ্জী আৰু Continuous and Comprehensive evaluation নামৰ পুথি দুখনত খৰচি মাৰি লিখা আছে।

বিদ্যায়তনিক দিশৰ মূল্যায়নৰ বাবে তলত দিয়া ধৰণে নম্বৰ বিতৰণ কৰা হ'ব ঃ

**'ক' বিভাগ**

| | | |
|---|---|---|
| গদ্য | — | ২৫ |
| পদ্য | — | ১৮ |
| ব্যাকৰণ | — | ১০ |
| ৰচনা | — | ৮ |
| বাক্যৰচনা/ভাব সম্প্ৰসাৰণ/আবেদন লিখন | — | ৪ |
| দ্ৰুতপাঠ | — | ১০ |
| | | ৭৫ নম্বৰ |

**'খ' বিভাগ**

| | | |
|---|---|---|
| গদ্য | — | ১০ |
| পদ্য | — | ৮ |
| ব্যাকৰণ | — | ৭ |
| | | ২৫ নম্বৰ |

'গ' বিভাগ

| | | |
|---|---|---|
| গদ্য | — | ১০ |
| পদ্য | — | ৮ |
| ব্যাকৰণ | — | ৭ |
| | | ২৫ নম্বৰ |

**সৰ্বমুঠ নম্বৰ ঃ ১০০**

(ছাত্ৰ-ছাত্ৰীসকলে 'ক' বিভাগ আৰু 'খ' বিভাগ নাইবা 'ক' আৰু 'গ' বিভাগৰ পাঠ্যক্ৰম পঢ়িব।)

# ASSAMESE (MIL)
## SUBJECT CODE - 01

**Class - IX** **Time : 3 hours**
**Full Marks : 100** **Pass Marks : 30**

| গোট | পাঠৰ নাম | ছয়মাহিলি পৰীক্ষা | বছৰেকীয়া পৰীক্ষা |
|---|---|---|---|
| | **Sub-unit/Lesson** | | |
| 1 | Group-A : বাধ্যতামূলক | | |
| | গদ্যাংশ | | |
| | **অন্যৰ প্ৰতি ব্যৱহাৰ**<br>সময়<br>অন্ধবিশ্বাস আৰু কুসংস্কাৰ | 15 | 10 |
| 2 | ভাৰতৰ বৈচিত্ৰ্ৰ মাজত ঐক্য | 7 | 8 |
| | পোহৰৰ বাটেৰে আগবঢ়া গাঁওখন | | |
| 3 | যুঁজ | 5 | 7 |
| | লোকসংস্কৃতি | | |
| 4 | পদ্যাংশ<br>শিশুলীলা<br>মানৱ বন্দনা<br>গীত আৰু ছবি | 13 | 10 |
| 5 | প্ৰচণ্ড ধুমুহাই প্ৰশ্ন কৰিলে মোক<br>মোৰ দেশ | | 8 |
| 6 | **ব্যাকৰণ**<br>নত্ববিধি-ষত্ববিধি, সমাৰ্থক শব্দ, বিপৰীতাৰ্থক শব্দ, সন্ধি, যুৰীয়া শব্দ, দ্বন্দ্ব সমাস, অনুৰূপ শব্দ, | 13 | 10 |
| | প্ৰত্যয় (অসমীয়া কৃৎ আৰু তদ্ধিত প্ৰত্যয়, নিৰ্দেশক প্ৰত্যয়, অসমীয়া স্ত্ৰী প্ৰত্যয়) | | |

| গোট | পাঠৰ নাম | ছয়মাহিলি পৰীক্ষা | বছৰেকীয়া পৰীক্ষা |
|---|---|---|---|
| 7 | ভাব-সম্প্ৰসাৰণ/বাক্য ৰচনা/আবেদন লিখন | 4 | 4 |
| 8 | ৰচনা | 8 | 8 |
| 9 | দ্ৰুতপাঠ | 10 | 10 |
| | Group -B : বৈকল্পিক | | |
| 10 | **গদ্যাংশ**<br>চোৰধৰা<br>সন্মান | 10 | 10 |
| 11 | **পদ্যাংশ**<br>হনুমন্তৰ লংকা দৰ্শন | 8 | 8 |
| | সুখ | | |
| 12 | **ব্যাকৰণ**<br>বিপৰীত লিগবাচক শব্দ, বিপৰীতাৰ্থক শব্দ, সমাৰ্থক শব্দ, ঘুৰীয়া শব্দ, আধুনিক অসমীয়া শব্দলৈ ৰূপান্তৰ | 7 | 7 |
| | মুঠ | 100 | 100 |

***Text book :*** অসমীয়া সাহিত্য চয়নিকা (নতুন) নৱম শ্ৰেণী

* অসমীয়া বিষয়ৰ অংশ হিচাপে *Sanskrit (Group-C)* ল'ব খোজা শিক্ষাৰ্থীসকলে *Riju Bharati* পুথিখন পঢ়িব লাগিব।